অধ্যায় ৭ ঃ ডিৰাইভেটিভ (DERIVATIVE)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ ডিৰাইভেটিভৰ প্ৰকাৰ

৭.৪ ডিৰাইভেটিভ বজাৰৰ ব্যৱসায়ী

৭.৫ বৈদেশিক বিনিময় বজাৰ ঃ অৰ্থ আৰু পৰিসৰ

৭.৬ বৈদেশিক বিনিময় বজাৰৰ ব্যৱসায়ী

৭.৭ বিনিময় হাৰ

৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৯ অধিক জানিবলৈ

৭.১০ অগ্ৰগতিৰ খতিয়ান

৭.১১ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ডিৰাইভেটিভৰ অৰ্থ, সুবিধা আৰু অসুবিধাবিলাক জানিব পাৰিব
- বিভিন্ন প্ৰকাৰৰ ডিৰাইভেটিভৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- ডিৰাইভেটিভ বজাৰৰ ব্যৱসায়ীসকলৰ বিষয়ে জানিব পাৰিব
- বৈদেশিক বিনিময় বজাৰৰ বিষয়ে জানিব পাৰিব আৰু
- বৈদেশিক বিনিময় বজাৰৰ গাঁথনি সম্পৰ্কে বিস্তৃতভাৱে জানিব পাৰিব।

৭.২ পৰিচয় (MEANING OF DERIVATIVES)

'ডিৰাইভেটিভ' শব্দটো গণিত শাস্ত্ৰৰ পৰা উৎপত্তি হৈছে আৰু ই এটা চলকক সূচায় যিয়ে আন চলকৰ পৰা প্ৰাপ্ত মূল্যক বুজায়। এটা ডিৰাইভেটিভৰ সংজ্ঞা বিত্তীয় আহিলা হিচাপে দিব পাৰি যাৰ মূল্য ইয়াৰ অন্তৰ্নিহিত সা-সম্পত্তিৰ মূল্যৰ ওপৰত নিৰ্ভৰ কৰে। ডিৰাইভেটিভৰ অন্তৰ্ভুক্ত চলকবোৰ হ'ল লেনদেনযুক্ত সা-সম্পত্তিৰ দাম, উদাহৰণস্বৰূপে, ষ্টকৰ দাম, (শ্বেয়াৰ), সামগ্ৰীৰ দাম, যেনে ঘেঁহু, ধান, মাহ, সূতৰ হাৰ, মুদ্ৰাৰ মূল্য ইত্যাদি। ডিৰাইভেটিভসমূহৰ নিজস্ব মূল্য নাথাকে। বিত্তীয় ক্ষেত্ৰত ডিৰাইভেটিভ শব্দটো বিত্তীয় সা-সম্পত্তিৰ ব্যৱসায়ীসকলৰ মাজত হোৱা চুক্তিক বুজায় য'ত মূল্য যিকোনো বিত্তীয় সা-সম্পত্তিৰ অন্তৰ্নিহিত সম্পদৰ মূল্যৰ পৰা নিৰ্ধাৰণ কৰা হয়।

বিত্তীয় সা-সম্পত্তিসমূহ বিত্তীয় বজাৰত বেচা কিনা কৰা হয়। বিত্তীয় সম্পদসমূহ যেনে শ্বেয়াৰ, ষ্টক, বণ্ড, বৈদেশিক মুদ্রা, ঋণৰ সুদৰ হাৰ আদিৰ দাম সদায় পৰিৱৰ্তন হৈ থাকে। এইটোৱে বিত্তীয় সা-সম্পত্তিৰ ভৱিষ্যতৰ মূল্যৰ অনিশ্চয়তা সৃষ্টি কৰে আৰু ইয়াৰ লগত জড়িত ব্যৱসায়ীসমূহক বজাৰৰ ক্ষতি-আশংকা উন্মুক্ত কৰে। বিত্তীয় সম্পদসমূহৰ দামৰ তাৰতম্যৰ বাবে হোৱা ক্ষতি-আশংকা অনিশ্চয়তাৰ পৰা হাত সাৰিবলৈ বিত্তীয় বজাৰত ব্যৱসায়ীসকলে এখন চুক্তিত প্ৰৱেশ কৰে যাক ডিৰাইভেটিভ বুলি জনা যায়। উদাহৰণস্বৰূপে, বিনিয়োগৰাকীয়ে শ্বেৰাৰ ক্ৰয় কৰিব পাৰে শ্বেয়াৰ দাম বৃদ্ধি হোৱাৰ অভিপ্ৰায়েৰে, কিন্তু বাস্তৱত শ্বেয়াৰ দাম কমিব পাৰে। শ্বেয়াৰৰ ভৱিষ্যতৰ দামৰ লগত অনিশ্চয়তা জড়িত হৈ থাকে যিটোৱে বিনিয়োগৰাকীসকলক ক্ষতি-আশংকাৰ পিনে ঠেলি দিয়ে। আকৌ আমদানিকাৰী আৰু ৰপ্তানিকাৰীসকলে সেই একে ধৰণৰ ক্ষতি-আশংকাৰ সন্মুখীন হ'ব লগীয়া হয়। এজন আমদানিকাৰীয়ে আন দেশৰ পৰা মালবস্তু আমদানি কৰোতে বৈদেশিক মুদ্রাৰ পৰিশোধ কৰাৰ সময়ত সমস্যাৰ সন্মুখীন হ'ব পাৰে। যিহেতু বৈদেশিক মুদ্রাৰ বিনিময়ৰ হাৰ পৰিৱৰ্তন হৈ থাকে, প্ৰয়োজনীয় বৈদেশিক মুদ্রা ক্ৰয় কৰিবলৈ আমদানিকাৰীজনে অধিক ভাৰতীয় মুদ্রা পৰিশোধ কৰিবলগীয়া হ'ব পাৰে, যদিহে সেই বিশেষ বৈদেশিক মুদ্রাবিধৰ মূল্য বৃদ্ধি পায়। একেদৰে ৰপ্তানিকাৰীজনেও সেই ধৰণৰ ক্ষতি-আশংকাৰ সন্মুখীন হ'ব আৰু পাওনা সময়ত কম ভাৰতীয় মুদ্রা পাব পাৰে যদিহে বৈদেশিক মুদ্রাৰ মূল্য অবনমিত হয়। আমদানিকাৰী আৰু ৰপ্তানিকাৰীয়ে ডিৰাইভেটিভৰ জৰিয়তে বৈদিশিক মুদ্রাৰ তাৰতম্যৰ পৰা উৎপত্তি হ'ব পৰা ক্ষতি-আশংকাক ৰোধ কৰিব পাৰে।

বিত্তীয় ডিৰাইভেটিভ হৈছে বিত্তীয় সা-সম্পত্তিৰ ব্যৱসায়ীসকলৰ মাজত হোৱা চুক্তি। ইয়াত মূল্যটো অন্তর্নিহিত সম্পদৰ মূল্যৰ পৰা নির্ধাৰণ কৰা হয়, অর্থাৎ বিত্তীয় বজাৰত ব্যৱসায় কৰা সম্পদসমূহ যেনে— শ্বেয়াৰ বা বৈদেশিক মুদ্রা। সাধাৰণতে অন্তর্নিহিত সম্পদসমূহে ষ্টক, বণ্ড, সামগ্ৰী, মুদ্রা, সূতৰ হাৰ আৰু প্ৰতিভূতি বজাৰ সূচকাংকক অন্তর্ভুক্ত কৰে। ব্যৱসায়ীসকলে নিজকে সুৰক্ষিত কৰিবলৈ চুক্তি কৰে বা বিত্তীয় সম্পদত মূল্যৰ পৰিৱৰ্তনে সৃষ্টি কৰা ক্ষতি-আশংকাৰ পৰা বাচিবলৈ হেড্‌জ তথা আৱৰণ তৈয়াৰ কৰে। বিত্তীয় বজাৰত প্ৰচলিত আশংকাই আনি দিয়া ক্ষতি-আশংকাৰ পৰিচালনাৰ বাবে ই এক প্ৰকাৰৰ আহিলা। ডিৰাইভেটিভৰ গুৰুত্ব দিনে দিনে বাঢ়ি আছে কাৰণ বজাৰত ইয়াৰ দ্ৰুত সম্প্ৰসাৰণ ঘটিছে।

বিত্তীয় ডিৰাইভেটিভবোৰ ভৱিষ্যতত বিত্তীয় সম্পদসমূহৰ দামৰ গতিবিধিৰ প্ৰতিকূল অৱস্থাৰ পৰা বিত্তীয় বজাৰৰ ব্যৱসায়ীসকলক ৰক্ষা কৰিবলৈ ৰূপায়ণ কৰা হৈছে। বিত্তীয় ডিৰাইভেটিভৰ সহায়ত ব্যৱসায়ীসকলে পূর্ব নির্ধাৰিত বন্দোৱস্ত হাৰত ভৱিষ্যতে বিত্তীয় সম্পদৰ ব্যৱসায় সহজে কৰিব পাৰে। বিত্তীয় ডিৰাইভেটিভে এটা ভৱিষ্যতৰ তাৰিখৰ বাবে এটা বিশেষ বিত্তীয় সম্পদৰ দাম 'বন্ধ কৰে' (lock in) কৰে। ইয়ে ভৱিষ্যতৰ অনিশ্চয়তাবোৰৰ পৰা তেওঁলোকক সম্পূর্ণভাৱে সুৰক্ষিত কৰে।

ডিৰাইভেটিভৰ প্ৰধান সুবিধাসমূহ

ক্ষতি-আশংকাৰ পৰিচালনা ঃ বিত্তীয় বজাৰৰ ব্যৱসায়ীসকলৰ বাবে ই এটা ক্ষতি-আশংকাৰ পৰিচালনাৰ সঁজুলি। এইবোৰে তাৰতম্যৰ বাবে বিত্তীয় বজাৰত সৃষ্টি হোৱা ভৱিষ্যতৰ অনিশ্চয়তাসমূহৰ পৰা সুৰক্ষিত কৰিব পাৰে।

অধিক লাভ ঃ প্ৰাথমিক প্ৰতিভুতি বা যৌথ পুঁজিতকৈ ডিৰাইভেটিভ অধিক পৰিমাণ আৰু সৰ্বাধিক লাভ অৰ্জন কৰাৰ যোগ্যতা আৰু সুযোগ থাকে।

ডিৰাইভেটিভৰ অসুবিধাসমূহ

বিত্তীয় ডিৰাইভেটিভৰ এটা অসুবিধা হ'ল ধন হেৰুৱাৰ সম্ভাৱনীয়তা। বিত্তীয় ডিৰাইভেটিভ এ লাভ বৃদ্ধি কৰাত আৰু ক্ষতি-আশংকা হ্ৰাস কৰাত সহায় কৰে, কিন্তু কেতিয়াবা যথেষ্ট সংখ্যক ধন আৰু সম্পদ হেৰুৱাবলগীয়াও হ'ব পাৰে। উদাহৰণস্বৰূপে, এজন কপাহ খেতিয়কে এজনী শিপিনীৰ লগত এটা চুক্তি কৰে। দুয়ো পক্ষকেই ব্যৱসায় চলাই নিবলৈ সম্পদ হিচাবে কপাহৰ প্ৰয়োজন হয়। এইদৰে সিহঁত উভয়ে লাভৰ বাবে এখন চুক্তিত আৱদ্ধ হ'ব পাৰে। কপাহ উৎপাদনকাৰীজনে খাৰিফৰ সময়ত নিৰ্ধাৰিত দামত কপাহ বিক্ৰী কৰিবলৈ সন্মত হ'ব পাৰে। ইয়ে কপাহ খেতিয়কজনৰ বাবে এটা স্থিৰ আয় আৰু নিৰ্দিষ্ট গ্ৰাহক সুনিশ্চিত কৰে। অন্যহাতে শিপিনীগৰাকীও কপাহ যোগানৰ বাবে সুনিশ্চিত হয়। যেতিয়া কপাহৰ দামৰ তাৰতম্য ঘটে তেতিয়া এই চুক্তিখনে এটা অসুবিধা সৃষ্টি কৰিব পাৰে। যদি কপাহৰ দাম বৃদ্ধি পায়, খেতিয়কজনে পূৰ্বে নিৰ্ধাৰিত কৰা ব্যয়যুক্ত দামত কপাহ বিক্ৰী কৰিব লাগিব। এইটোৱে খেতিয়কজনক লাভ অৰ্জনৰ পৰা বঞ্চিত কৰিব। কপাহৰ দামৰ তাৰতম্যই শিপিনীগৰাকীকো প্ৰভাৱান্বিত কৰিব। যদি কপাহৰ দাম হ্ৰাস পায়, বিৰামহীনভাৱে কপাহৰ দাম কমি যোৱাৰ পিছতো তেওঁ পূৰ্বতে কৰা চুক্তিমতে উচ্চ ব্যয়ত কপাহ ক্ৰয় কৰিব লাগিব।

ডিৰাইভেটিভৰ বৈশিষ্ট্যসমূহ

(ক) ডিৰাইভেটিভবোৰৰ মাজত নিজা স্বাধীন মূল্য নাথাকে। সিহঁতৰ মূল্য অন্তৰ্নিহিত আহিলা (সম্পদ)ৰ পৰা নিৰ্ধাৰিত হয়।

(খ) ডিৰাইভেটিভ চুক্তিৰ এটা নিৰ্দিষ্ট সময় কাল বা স্থিৰ দিন উকলি যোৱা তাৰিখ থাকে।

(গ) ডিৰাইভেটিভ সামান্য বিনিয়োগৰ প্ৰয়োজন আৰু ইয়াৰ কোনো আগতীয়া বিনিয়োগ নালাগে, কাৰণ ই হ'ল মূল্য পৰিৱৰ্তনত কৰা বিনিয়োগ। ই প্ৰকৃত সা-সম্পত্তি বা দেনাত কৰা এটা বিনিয়োগ নহয়।

(ঘ) ডিৰাইভেটিভে মূল্য উলিয়াই, অন্তৰ্নিহিত সা-সম্পত্তিৰ তাৰল্যতা বৃদ্ধি কৰে, হেড্‌জ আহিলা হিচাবে উপযুক্ত সেৱা আগবঢ়ায় আৰু মুদ্ৰা বৃদ্ধিৰ পথ সুচল কৰে।

(ঙ) সাধাৰণতে চুক্তিবদ্ধ পক্ষ তথা বিপৰীত পক্ষই প্ৰকৃততে অন্তৰ্নিহিত হৈ থকা সংযুক্ত সম্পদ প্ৰদান কৰাৰ প্ৰয়োজনীয়তা আহি নপৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ডিৰাইভেটিভৰ কি?

.....

.....

৭.৩ ডিৰাইভেটিভৰ প্রকাৰসমূহ (TYPES OF DERIVATIVES)

সঘনাই ব্যৱহৃত ডিৰাইভেটিভবোৰ হ'ল Forward (অগ্রিম) চুক্তি, Future (ভৱিষ্য) চুক্তি Options (বিকল্প) চুক্তি আৰু Swap (বিনিময়) চুক্তি। আমি ইয়াত বিভিন্ন প্রকাৰৰ ব্যৱহৃত চুক্তিবদ্ধ ডিৰাইভেটিভবোৰৰ আলোচনা কৰিম।

Forward (অগ্রিম চুক্তি) ঃ ডিৰাইভেটিভৰ অতি সৰল আৰু পুৰণি চুক্তিৰ ৰূপ। ইয়াত সাম্প্রতিক হাৰত ভৱিষ্যতে কোনো বস্তু বিক্রী কৰিবলৈ ব্যৱসায়ীসকলৰ মাজত হোৱা এটা চুক্তি। ইয়াত বর্তমান হাৰত বস্তুৰ দাম বন্দৰস্ত কৰে কিন্তু প্রকৃত লেনদেন ভৱিষ্যতেহে সংঘটিত হয়। সম্পদ প্রদানৰ চুক্তি কৰাৰ সময়ত সম্পদৰ গুণাগুণ আৰু পৰিমাণ স্থিৰ কৰা হয়। সহজভাৱে ইয়াক এনেদৰে ক'ব পাৰি যে চুক্তি সম্পাদন কৰা হয় এটা সময়ত কিন্তু প্রকৃত কার্যকৰী কৰা হয় পিছৰ তাৰিখত।

Forward চুক্তিবোৰ অবিহিত আৰু ইয়াক কোনো বিনিময়ত লেনদেন কৰা নহয়। এতেকে ইয়াক 'Over the counter' (OTC) ডিৰাইভেটিভ হিচাবেও জনা যায়। প্রকৃততে এনেধৰণৰ চুক্তিসমূহ দুটা পক্ষৰ মাজত হোৱা কিছুমান প্রতিশ্রুতি। Forward চুক্তিত যিবোৰ সম্পদৰ ব্যৱসায় কৰা হয় সেই সম্পদবোৰে দ্রব্য যেনে, শস্য, মূল্যবান ধাতু, বিদ্যুৎ, যান-বাহন আদিক অন্তর্ভুক্ত কৰে। উদাহৰণ স্বৰূপে, এজন ঘেঁহু খেতিয়কে ৫০০ টন ঘেঁহু উৎপাদন কৰি আছে। এতিয়া তেওঁ উৎপাদন কৰা ঘেঁহুখিনি পৰৱর্তী বছৰৰ সেই সময়ৰ তাৰিখত বিক্রী কৰিব পাৰিব বা তেওঁ Forward চুক্তিৰ জৰিয়তে ইয়াক বিক্রী কৰিবলৈ বর্তমানে দাম স্থিৰ কৰিব পাৰিব।' Forward চুক্তিয়ে শস্যখিনি চপোৱাৰ পিছত স্থিৰ দামেৰে খেতিয়কজনক ৫০০ টন ঘেঁহু বিক্রী কৰিবলৈ বান্ধ খুৱাই ৰাখে। বর্তমান দামটো স্থিৰ কৰি, খেতিয়কজনে ঘেঁহুৰ দাম নিম্নগামী হোৱাৰ ক্ষতি-আশংকাৰ দূৰ কৰি ৰাখে। কিন্তু, আনহাতে পিছত যদি দাম বাঢ়েও খেতিয়কজনে চুক্তিৰ স্থিৰ কৰা দামটোহে ল'ব পাৰিব। সেয়েহে Forward চুক্তিসমূহ আমাৰ দৈনন্দিন জীৱনৰ অংশ হিচাবে বিবেচনা কৰা হয়।

Future **(ভৱিষ্য চুক্তি) ঃ** ভৱিষ্য চুক্তি অগ্রিমী চুক্তিৰ লগত প্রায় একে। মুখ্য সাদৃশ্যটো হৈছে যে দুয়োবিধ চুক্তিতে প্রকৃত লেনদেন (deal) ভৱিষ্যতে ৰূপায়ণ হয় যদিও দাম-দৰ পূর্বতে নির্ধাৰণ কৰা হয়। যি নহওঁক ভৱিষ্য চুক্তিবোৰ ষ্টক এক্সচেঞ্জত তালিকাভুক্ত হয়। এক্সচেঞ্জে ব্যৱসায়ীসকলৰ মাজত মধ্যস্থতাকাৰী ৰূপে কাম কৰে। সেয়েহে ভৱিষ্য চুক্তিবোৰ উৎকৃষ্ট প্রকৃতিৰ আৰু বন্দৰস্তটো কোনো প্রকাৰে সংশোধন কৰিব নোৱাৰি। বিনিময় চুক্তিবোৰ পূর্ব নির্ধাৰিত

সূচীত, পূর্ব নির্ধাৰিত আকাৰত থাকে আৰু পূর্ব নির্ধাৰিত ম্যাদ সন্নিৰিষ্ট হয়। যিহেতু চুক্তিবোৰ বিনিময়ৰ ভিত্তিত লেনদেন কৰা হয়, সিহতে দৈনিক বন্দৰস্তুৰ নিয়মসমূহ অনুসৰণ কৰিব লাগে। এটা গুৰুত্বপূর্ণ দিশ উল্লেখ কৰিব লাগিব যে ভৱিষ্য চুক্তিৰ ক্ষেত্রত ক্রেতা আৰু বিক্রেতাই উভয়ে কোনো চুক্তিত আৱদ্ধ নহয় বৰং সিহঁত প্রত্যেকেই এক্সচেঞ্জৰ সৈতে এটা বন্দৰস্ত কৰে।

Forward আৰু Future চুক্তিবোৰ একেধৰণৰ বিত্তীয় চুক্তি, কিন্তু তাত কিছুমান পার্থক্য থাকে। Future আৰু Forward চুক্তিৰ মাজত মুখ্য পার্থক্যটো হ'ল যে ভৱিষ্য চুক্তি বিনিময় অনুসৰি লেনদেন কৰা আর্হিযুক্ত (Standardized) চুক্তি আনহাতে Forward চুক্তি হ'ল কিছুমান ব্যক্তিগত লেনদেনৰ 'Over the Counter' ত সম্পাদন কৰা চুক্তি।

Future আৰু Forward চুক্তিৰ মাজৰ পার্থক্যবোৰ

তলত Future আৰু Forward চুক্তিৰ মাজৰ প্রধান পার্থক্যসমূহ উল্লেখ কৰা হ'ল—

Forward (অগ্রিম)	**Future (ভৱিষ্য)**
১) Forward চুক্তি নির্দিষ্ট এটা তাৰিখত আৰু ভৱিষ্যতত বন্দোৱস্ত হাৰত অন্তর্নিহিত সা-সম্পত্তিসমূহ ক্রয় আৰু বিক্রয় কৰিবলৈ ব্যৱসায়ীসকলৰ মাজত হোৱা বন্দোৱস্ত।	ই এখন চুক্তি য'ত ব্যৱসায়ী পক্ষসমূহে এটা ভৱিষ্যতৰ নির্দিষ্ট তাৰিখত নগদ ধনৰ পৰিৱর্তে সা-সম্পত্তিসমূহ বিনিময় কৰিবলৈ সন্মত হয়।
২) এইটো এটা খাপ খোৱাকৈ তৈয়াৰ কৰা চুক্তি।	ই এটা আর্হিযুক্ত চুক্তি।
৩) এইটো এটা 'Over the Counter' চুক্তি। অর্থাৎ ইয়াত কোনো গৌন বজাৰ নাই।	ই এটা এক্সচেঞ্জৰ মাধ্যমেৰে লেনদেন হোৱা চুক্তি।
৪) Forward চুক্তিত ক্ষতি-আশংকা বেছি।	Future চুক্তিত ক্ষতি-আশংকা কম।
৫) এইটো এটা স্বঃ বিধিবদ্ধ চুক্তি।	ইয়াক ষ্টক এক্সচেঞ্জৰ মাধ্যমেৰে বিধিবদ্ধ কৰা হয়।
৬) এই চুক্তিবোৰ ম্যাদপূর্ণ তাৰিখত নিষ্পত্তি (settlement) কৰা হয়।	এই চুক্তিবোৰ দৈনিক ভিত্তিত নিষ্পত্তি (Settlement) কৰা হয়।

Option (বিকল্প) চুক্তি ঃ এটা মতামতৰ চুক্তিয়ে পূর্ব নির্ধাৰিত সময়ৰ আগতে এটা পূর্ব নির্ধাৰিত দৰত সম্পদসমূহ কিনা/বেচা কৰিবলৈ ব্যৱসায়ী পক্ষসমূহক বাছি লোৱাৰ সুবিধা প্রদান কৰে। কিন্তু Forward আৰু Future চুক্তিৰ সম্পদসমূহ কিনিবলৈ বেচিবলৈ বাধ্য বাধকতা নাথাকে। ব্যৱসায়ী পক্ষসমূহে তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰিবও পাৰে বা নকৰিবও পাৰে, সেয়ে ইয়াক মতামতৰ চুক্তি হিচাপে জনা যায়। অধিকাৰ সাব্যস্ত কৰাৰ বাবে ক্রেতা পক্ষই এটা ব্যয় বহন কৰাটো বাধ্যতামূলক যাক Premium হিচাবে জনা যায়। Option চুক্তিবোৰ OTC আৰু বিনিময় সাপেক্ষ বজাত লেনদেন কৰিব পাৰি।

Option চুক্তিবোৰ দুই প্রকাৰৰ হ'ব পাৰে— আহ্বান (Call) আৰু ৰখা প্রস্তাৱ (Put)। Call মতামতে এটা পূর্ব নির্ধাৰিত তাৰিখৰ ভিতৰত প্রদত্ত দৰত সম্পদসমূহ বেচা-কিনা কৰাৰ

অধিকাৰ দিয়ে। যদি ক্রেতাই অধিকাৰ সাব্যস্ত কৰিবলৈ বিচাৰে, বিক্রেতাই ক্রেতাক সম্পদ বিক্রী কৰিবলৈ বাধ্য হয়। এটা Put Option ত এটা নির্দিষ্ট তাৰিখত এটা প্রদত্ত দৰত সম্পদসমূহ বিক্রী কৰিবলৈ অধিকাৰ দিয়ে। ক্রেতাই চুক্তিমতে নির্দিষ্ট কৰা দৰত বিক্রেতাৰ পৰা সম্পদ কিনিবলৈ বাধাৰ সন্মুখীন হয়। চুক্তিত তালিকাবদ্ধ কৰা দামক Strike-Price বুলি কোৱা হয়। যদিহে ব্যৱসায়ী পক্ষসমূহে তেওঁলোকৰ অধিকাৰসমূহ নির্দিষ্ট সময়সীমাৰ ভিতৰত সাব্যস্ত নকৰে, তেন্তে ই অব্যৱহৃত হৈ ৰ'ব।

প্রায়ে Option চুক্তিসমূহ প্রতিভূতি (Securities) সামগ্রী (Commodities) আৰু প্রকৃত সম্পদ (real estate) লেনদেনত ব্যৱহৃত হয়। Option চুক্তিবোৰে শ্বেয়াৰৰ সম্পূর্ণ দাম উল্লেখ নকৰাকৈ শ্বেয়াৰৰ দামৰ পৰিৱর্তনৰ পৰা লাভ অর্জন কৰাত সহায় কৰে। এটা নির্দিষ্ট সময়ৰ ভিতৰত এটা পূর্ব নির্ধাৰিত দৰত অংশপত্রসমূহ কিনিবলৈ বা বেচিবলৈ ব্যৱসায়ীসমূহক সর্তক কৰি এই চুক্তি অংশপত্রৰ দামত হোৱা তাৰতম্যৰ পৰা হাত সাৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। যদিও ইয়াৰ সুবিধাসমূহ আছে কিন্তু মতামত চুক্তিত দৈনিক শ্বেয়াৰত দৰে ব্যৱসায় কৰা ইমান সহজ নহয়।

Swap (শৃংখলা) ঃ বিনিময় চুক্তি হৈছে দুটা ব্যৱসায়ী পক্ষৰ মাজত নগদ ধন প্রৱাহৰ এশাৰী বিনিময় কৰিবলৈ লোৱা বিত্তীয় বন্দৱস্ত। ইয়াত এটা পক্ষই পূর্ব নির্ধাৰিত তাৰিখত স্থিৰ সূত দেনা দিবলৈ ৰাজি হয় আৰু আনটো পক্ষই ভাসমান অন্তর্নিহিত সম্পদৰ লগত জড়িত সূত দেনা ঘূৰাই দিবলৈ সন্মত হয়। বিনিময় চুক্তিবোৰ সূতৰ হাৰ, প্রতিভূতি (Stock) সূচকাংক, বৈদেশিক মূদ্রা বিনিময় হাৰ আৰু সামগ্রীৰ দাম পর্যন্তত ব্যৱহাৰ কৰে।

Swap চুক্তিৰ কৌশল আন ডিৰাইভেটিভ চুক্তিবোৰ যেনে অগ্রৱর্তী (Forward), ভৱিষ্যত (Future) আৰু মতামত (Option) চুক্তিৰ পৰা পৃথক হয়। অগ্রিম, ভৱিষ্য আৰু option চুক্তিবোৰত চুক্তিৰ শেষত এবাৰহে লেনদেন কৰা হয় কিন্তু Swap চুক্তিৰ গোটেই চুক্তিৰ কালত বহুবাৰ বিনিময় কৰিব পৰা যায়। ভৱিষ্যৎ আৰু Option চুক্তিৰ দৰে Swap চুক্তিত বিনিময় সাপেক্ষে লেনদেন কৰা নহয় আৰু নিয়ন্ত্রিত নহয়। গতিকে ইয়াত বিনিময় লেনদেন চুক্তিতকৈ অধিক ধন সম্প্রদায়ৰ ক্ষতি-আশংকা জড়িত হৈ থাকে।

এক ব্যৱসায়ী পক্ষই Swap বন্দৱস্ত ভিত্তি মতে দেনাৰ এটা স্থিৰ শ্রেণী কার্য সম্পাদন কৰিব কিন্তু আনটো পক্ষই বৈদেশিক মূদ্রা বিনিময় হাৰ ইত্যাদিৰ দৰে ভাসমান হাৰত অন্তর্নিহিত সম্পদৰ ভিত্তিত দেনা কার্য সম্পাদন কৰিব।

বিনিময় চুক্তিৰ প্রকাৰ ঃ

সাধাৰণতে Swap চুক্তিবোৰ তলত দিয়া প্রকাৰৰ হয় ঃ

- এটা সূতৰ হাৰ Swap চুক্তি হৈছে দুটা ব্যৱসায়ী পক্ষৰ মাজত হোৱা এক বন্দোৱস্ত য'ত ভাসমান সূতৰ হাৰ স্থিৰ সূতৰ হাৰৰ পৰিৱর্তে বিনিময় হয়। এই প্রকাৰৰ চুক্তিয়ে দুটা ব্যৱসায়ী পক্ষক সূত বাহক বিনিয়োগ বা ঋণত স্থিৰ আৰু ভাসমান নগদ ধন প্রবাহ বিনিময় কৰিবলৈ সুবিধা দিয়ে। এক ব্যৱসায়ী পক্ষই স্থিৰ হাৰত দেনা কার্য সম্পাদন কৰে, যিটো

চুক্তিৰ সময়ত পূৰ্ব নিৰ্ধাৰিত হৈছে আৰু আনটো ব্যৱসায়ী পক্ষই ভৱিষ্যত হাৰত দেনা কার্য সম্পাদন কৰে যিটো ভাসমান হাৰত হয়। সহজভাৱে ক'বলৈ হ'লে ই নগদ ধন প্ৰৱাহৰ এক শ্ৰেণীৰ বিনিময় কৰিবলৈ লোৱা বন্দোবস্ত।

- এটা মুদ্ৰা বিনিময় চুক্তি হৈছে দুটা ব্যৱসায়ী পক্ষৰ মাজত এটা মুদ্ৰা বিনিময় কৰিবলৈ বিচৰা এক বন্দোৱস্ত। ইয়াত এটা মুদ্ৰাত হোৱা নগদ ধন প্ৰৱাহ আনটো মুদ্ৰাত হোৱা নগদ ধন প্ৰৱাহৰ পৰিৱৰ্তে বিনিময় কৰা হয়।

সূতৰ হাৰ বিনিময় আৰু মুদ্ৰা বিনিময় চুক্তি আটাইতকৈ অধিক জনপ্ৰিয় বিনিময় চুক্তি, যিবোৰ বিত্তীয় প্ৰতিষ্ঠানসমূহৰ মাজত প্ৰতিপক্ষৰ উৰ্ধত ব্যৱসায়ীক লেনদেন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ ডিৰাইভেটিভৰ বিভিন্ন প্ৰকাৰবোৰ কি কি?

.....

.....

প্ৰশ্ন নং ৩ঃ মতামত চুক্তি বুলিলে কি বুজে?

.....

.....

প্ৰশ্ন নং ৪ঃ বিনিময় চুক্তি কি?

.....

.....

৭.৪ ডিৰাইভেটিভ বজাৰৰ ব্যৱসায়ী (TRADERS IN THE DERIVATIVE MARKET)

Hedgers ঃ Hedger হৈছে এনেকুৱা এজন ব্যৱসায়ী যিয়ে এটা ব্যৱসায়িক সম্পদৰ মূল্যৰ গতিবিধিৰ লগত জড়িত ক্ষতি-আশংকা বহন কৰে আৰু যিয়ে ক্ষতি-আশংকাৰ পৰিমাণ কমাবলৈ Derivatives ব্যৱহাৰ কৰে। সাধাৰণতে Hedger য়ে ব্যৱসায়িক কাৰবাৰৰ সৈতে বিপদ শংকাটো বহন কৰিবলৈ Derinatives চুক্তিত প্ৰৱেশ কৰে। উদাহৰণস্বৰূপে, এজন খেতিয়কে যেতিয়া ধানৰ খেতি কৰে তেতিয়া খৰিফ (harvest) ঋতুত সেই শস্যৰ মূল্য কিমান হ'ব সেই বিষয়ত নিশ্চিত নহয়। ঠিক একেদৰে এটা ধান কল (Rice Mill)ৰ মালিকে এতিয়া যোগাৰ কৰা ধানখিনিৰ মূল্য ভৱিষ্যততে কি হ'ব সেই বিষয়ে নিশ্চিত নহয়। এনেকুৱা ক্ষেত্ৰত খেতিয়ক আৰু ধান কল এই দুয়োটাৰ মালিকে অগ্ৰিম চুক্তিত চুক্তিৱদ্ধ হয়। চুক্তিৰ নিয়ম মতে খেতিয়কজনে তেওঁৰ উৎপাদিত ধানখিনি এটা পূৰ্ব নিৰ্ধাৰিত মূল্যত ধান কলৰ মালিকক বিক্ৰী কৰিবলৈ মান্তি হয়। গতিকে খেতিয়কজনে শস্য চপোৱা সময়ত মূল্যটো হ্ৰাস আৰু ধান কলৰ গৰাকীজনে মূল্যটো বৃদ্ধি হোৱাটো বিচাৰে। এই কাৰণে দুয়োটা দলে মূল্যৰ ক্ষতি-আশংকা বহন

কৰিব লগাত পৰে। সাধাৰণতে অগ্রিম চুক্তিয়ে দুয়োটা দলে বহন কৰা মূল্যৰ ক্ষতি-আশংকা দূৰ কৰাত সহায় কৰে। এই গোটেই প্রক্রিয়াটোক Hedging বুলি কোৱা হয় আৰু তাতে অংশগ্রহণ কৰা অংশগ্রহণকাৰীসকলক Hedger বুলি কোৱা হয়।

Speculators (ফালেঙ্গি) ঃ সাধাৰণতে Hedger-এ ক্ষতি-আশংকা কমাবলৈ Derivative চুক্তি কৰে। কিন্তু ফালেঙ্গি ব্যৱসায়ীসকলে লাভ অর্জন কৰিবলৈ ডিৰাইভেটিভ চুক্তি কৰে। এনেকুৱা ব্যৱসায়ীসকলৰ বর্তমানৰ সম্পদবিলাকৰ ভৱিষ্যতত কিমান মূল্য হ'ব সেই বিষয়ত নিজস্ব মতামত থাকে। ইয়াৰ উপৰিও এওঁলোকে ব্যৱসায়ত লাভ অর্জন কৰাৰ উদ্দেশ্যেৰে Derivatives ত এটা উপযুক্ত স্থান দখল কৰে। ফালেঙ্গিবিলাকে বজাৰত তাৰল্যতাৰ যোগান ধৰি বজাৰবিলাক প্রতিযোগীমূলক কৰাত সহায় কৰে। ইয়াৰ উপৰিও এই ব্যৱসায়ীসকলে বজাৰৰ আকাৰ সম্প্রসাৰণ কৰাতো সহায় কৰে।

Arbitrageurs ঃ Arbitrageurs হৈছে তেনে ব্যৱসায়ী যিয়ে দুখন পৃথক বজাৰৰ মূল্যৰ ভিন্নতাৰ সুবিধা ল'বলৈ একে সময়ত দুখন নাইবা ততোধিক বজাৰত ব্যৱসায়িক লেনদেন চলায়। বজাৰবিলাক ভৌতিক বজাৰ আৰু Commodity Exchange হ'ব পাৰে। এওঁলোকে বিভিন্ন বজাৰত বিভিন্ন সম্পদৰ মূল্যবোৰ সদায়ে চোৱা-চিতা কৰে। ইয়াৰ উপৰিও তেওঁলোকে বিভিন্ন বজাৰত বিভিন্ন সামগ্রীৰ দামৰ ওপৰত দৃষ্টি ৰাখে আৰু সামগ্রীসমূহৰ দাম ভিন্ন বজাৰত ভিন্ন হোৱাৰ সুবিধা লৈ মুনাফা অর্জন কৰে। উদাহৰণস্বৰূপে, Tata ৰ অংশ মূল্য ৰাষ্ট্রীয় ষ্টক বিনিময়ত (NSE) 1550 টকা আৰু ব'ম্বে ষ্টক বিনিময়ত (BSE) 1570 টকা হয় তেতিয়া হ'লে এনে ব্যৱসায়িক ৰাষ্ট্রীয় ষ্টক বিনিময়ত ক্রয় কৰি ব'ম্বে ষ্টক বিনিময়ত বিক্রী কৰিব আৰু এটা ব্যৱসায়ীয়ে অংশত 20 টকাকৈ লাভ কৰিব।

৭.৫ বৈদেশিক বিনিময় বজাৰ (FOREIGN EXCHANGE MARKET: MEANING AND SCOPE)

যি বজাৰত মুদ্রাৰ কিনা বেচা কৰা হয় তেনে বজাৰকেই বৈদেশিক বিনিময় বজাৰ বুলি কোৱা হয়। অন্য অর্থত ক'বলৈ গ'লে, বৈদেশিক বিনিময় বজাৰ হৈছে এনে এখন বজাৰ য'ত এখন দেশৰ মুদ্রাৰ সৈতে অইন এখন দেশৰ মুদ্রা বিনিময় কৰা হয়। বৈদেশিক বিনিময় বজাৰ হৈছে এখন 'Over the Counter' বজাৰ। ইয়াতে ব্যৱসায়ীসকলে লগ হৈ মুদ্রাৰ বিনিময় কৰিবৰ কাৰণে কোনোধৰণৰ একক বজাৰ (Single Market) নাইবা সংগঠিত বিনিময় কেন্দ্র (যেনে ঃ ষ্টক বিনিময় কেন্দ্র) নাথাকে। Kindelberger-ৰ মতে, 'বৈদেশিক বিনিময় বজাৰ হৈছে এনেকুৱা এখন ঠাই য'ত বৈদেশিক মুদ্রাবোৰ কিনা-বেচা কৰা হয়।'

বৈদেশিক বিনিময় বজাৰ হৈছে বৃহৎ বিত্তীয় বজাৰ। আন্তঃ ৰাষ্ট্রীয় বেহা-বেপাৰৰ সময়ত উদ্ভৱ হোৱা দেনা নিষ্পত্তি কৰাত সহায় কৰিবলৈ এই বৈদেশিক বিনিময় বজাৰবোৰ বিকশিত কৰা হয়।

উক্ত বজাৰবোৰ সর্বত্র পৃথিৱী জুৰি বিভিন্ন সময় মণ্ডলত এনেকৈ অৱস্থিত কৰা হৈছে

যাতে এখন বজাৰ বন্ধ হ'লেই আন এখন বজাৰে ইয়াৰ কাম আৰম্ভ কৰিব পাৰে। গতিকে বৈদেশিক বিনিময় বজাৰৰ ক্ষেত্ৰত এইটোকে ক'ব পাৰি যে ই দিনটোৰ গোটেই ২৪ ঘণ্টা ধৰি কাম কৰি থাকে। ভাৰতবৰ্ষত যেতিয়া বেংকবোৰে তেওঁলোকৰ দৈনন্দিন বেংকিং ব্যৱসায় আৰম্ভ কৰে তেতিয়াই উক্ত বজাৰবোৰ কাম-কাজ আৰম্ভ হয়। শনিবাৰে কোনোধৰণৰ লেনদেন সংঘটিত কৰা নহয়।

বৈদেশিক বিনিময় বজাৰক দুটা ভাগত ভাগ কৰিব পাৰি। উক্ত ভাগ দুটা হৈছে— (১) খুচুৰা বজাৰ, (২) পাইকাৰী বজাৰ।

খুচুৰা বৈদেশিক বিনিময় বজাৰত খুচুৰা ব্যৱসায়ীবিলাকে তেওঁলোকৰ প্ৰকৃত ব্যৱসায় নাইবা ব্যক্তিগত প্ৰয়োজনীয়তা পূৰণ কৰিবৰ কাৰণে মুদ্ৰাবোৰ কিনা-বেচা কৰে। কিছুমান ব্যক্তি যেনে— পৰ্যটক, বিদেশী ছাত্ৰ, ৰোগী ইত্যাদিয়ে চিকিৎসা সাহায্য ল'বলৈ অন্য দেশলৈও গতি কৰে। সাধাৰণতে ক্ষুদ্ৰ কোম্পানী, ক্ষুদ্ৰ ৰপ্তানিকাৰী আৰু আমদানিকাৰীসকলে খুচুৰা বৈদেশিক বিনিময় বজাৰত কাৰ্য সম্পাদন কৰে। মুদ্ৰা স্থানান্তৰ কোম্পানী (Money Transfer Company) হৈছে খুচুৰা ব্যৱসায়ৰ অন্যতম প্ৰধান ব্যৱসায়ী। পাইকাৰী বৈদেশিক বিনিময় বজাৰক আন্তঃবেংক বজাৰ (Inter Bank Market) বুলিও কোৱা হয়। সাধাৰণতে পাইকাৰী বজাৰত বাণিজ্যিক বেংকবোৰক বজাৰ নিৰ্মাণকাৰী নাইবা বজাৰ সৃষ্টিকৰ্তা বুলি কোৱা হয়। সাধাৰণতে প্ৰতিটো বেংকে সম্পাদন কৰা অতিৰিক্ত ক্ৰয়-বিক্ৰয় কাৰ্যবিলাক সহজ কৰিবলৈ উক্ত পাইকাৰী বজাৰে সুবিধা নাইবা সেৱা আগবঢ়ায়।

- **বৈদেশিক বিনিময় বজাৰৰ কাৰ্যাৱলীসমূহ ঃ**

বৈদেশিক বিনিময় বজাৰে তলত দিয়া ৩টা কাৰ্য সম্পাদন কৰে।—

(ক) হস্তান্তৰ কাৰ্য ঃ বৈদেশিক বিনিময় বজাৰে দুখন দেশৰ মাজত ক্ৰয় ক্ষমতা হস্তান্তৰ কৰে। এইটো হৈছে বৈদেশিক বিনিময় বজাৰৰ মুখ্য কাৰ্য। সাধাৰণতে ক্ৰয় ক্ষমতাৰ হস্তান্তৰ বিভিন্ন ধৰণৰ দলিল যেনে— টেলিগ্ৰাফিক হস্তান্তৰ, বেংক ড্ৰাফ্ট্ আৰু বৈদেশিক বিল ব্যৱহাৰ কৰি কৰা হয়।

(খ) ঋণ কাৰ্য ঃ বৈদেশিক বাণিজ্য উন্নয়ন কৰিবৰ কাৰণে ঋণ যোগান ধৰাটো হৈছে বৈদেশিক বিনিময় বজাৰৰ অন্যতম কাৰ্য। বৈদেশিক বিনিময় বজাৰে বৈদেশিক বাণিজ্যৰ সময়ত সৃষ্টি হোৱা বিনিময় বিলসমূহ বাট্টাত ভঙাই ঋণৰ যোগান ধৰে। সাধাৰণতে বিনিময় বিলবিলাক আন্তৰ্জাতিক পৰিশোধৰ বাবে পূৰ্ণতা প্ৰাপ্তিলৈকে তিনি মাহৰ বাবে ব্যৱহাৰ কৰা হয়। বিল পৰিশোধ কৰিবলৈ টকা পাবৰ কাৰণে আমদানিকাৰীসকলক সক্ষম কৰিবলৈ এইখিনি সময়ত ঋণৰ প্ৰয়োজন হয়।

(গ) হেডজিং কাৰ্য (Hedging Function) ঃ বৈদেশিক বিনিময় বজাৰৰ তৃতীয় কাৰ্য হৈছে বৈদেশিক বিনিময় বিপদৰ প্ৰতিবন্ধক হিচাপে কাৰ্য কৰা। মুক্ত বজাৰ অৱস্থাৰ (Free Market Situation) অধীনত বিনিময় হাৰবোৰ (এটা মুদ্ৰাৰ মূল্য অন্য দেশৰ মুদ্ৰাত

প্রকাশ কৰিলে) উঠা-নমা কৰিব পাৰে। যদি বৈদেশিক মুদ্রাৰ ক্ষেত্রত বৃহৎ পৰিমাণৰ Net claims নাইবা Net দেনা থাকে তেতিয়াহ'লে এনেকুৱা ক্ষেত্রত কোনো এজন ব্যক্তি নাইবা এখন প্রতিষ্ঠানে বৃহৎ পৰিমাণৰ বিনিময়ৰ বিপদশংকা বহন কৰিব লগাত পৰে। সাধাৰণতে Hedging ৰ জৰিয়তে বৈদেশিক বিনিময় বজাৰে বিনিময় হাৰত কৰা কিছুমান অপৰিণামদর্শী/অপ্রত্যাশিত পৰিৱর্তনৰ পৰা বজাৰত ব্যৱসায় কৰা ব্যক্তিবিলাকৰ স্বার্থ ৰক্ষা কৰিবলৈ চেষ্টা কৰে।

৭.৬ বৈদেশিক বিনিময় বজাৰৰ ব্যৱসায়ীসমূহ (DEALERS IN FOREIGN EXCHANGE MARKET)

তলত উল্লেখ কৰা ব্যৱসায়ীসমূহ হৈছে ভাৰতীয় বৈদেশিক বিনিময় বজাৰৰ গুৰুত্বপূর্ণ ব্যৱসায়ী—

(১) **বেংক ঃ** বাণিজ্যিক বেংকবোৰে ব্যক্তিগত ৰপ্তানিকাৰী আৰু নিগমৰ কাৰণে খুচুৰা পর্যায়ত নাইবা আন্তঃ বেংক বজাৰ (inter bank market) ৰ কাৰণে পাইকাৰী পর্যায়ত বৈদেশিক বিনিময় বজাৰত কার্য সম্পাদন কৰে। বেংকবোৰে বৈদেশিক বিনিময় বজাৰত কার্য সম্পাদন কৰে। বেংকবোৰে বৈদেশিক বিনিময়ত ব্যৱসায় কৰি বৈদেশিক মুদ্রাৰ ভাৰসাম্যতা ৰক্ষা কৰি গ্রাহকৰ প্রয়োজনীয়তা পূৰণ কৰিবৰ কাৰণে সহায়ৰ হাত আগবঢ়ায়। সাধাৰণতে এই বেংকবোৰে বৈদেশিক বিনিময় বিলবিলাক বাট্টাত ভঙাই দিয়াৰ উপৰিও বিক্রীও কৰে, বেংক ড্রাফট ইচ্ছু হস্তান্তৰ ইত্যাদি বিভিন্ন ধৰণৰ কার্য সম্পাদন কৰে।

(২) **কেন্দ্রীয় বেংক ঃ** দেশৰ কেন্দ্রীয় বেংকে এটা নির্দিষ্ট পৰিসৰৰ ভিতৰত বিনিময়ৰ হাৰ পৰিচালনা কৰিবলৈ বৈদেশিক বিনিময় বজাৰত হস্তক্ষেপ কৰে। ইয়াৰ উপৰিও কেন্দ্রীয় বেংকে চৰকাৰৰ নীতি-নিয়মবিলাক কার্যকৰীকৰণ কৰে।

(৩) **দালাল ঃ** বৈদেশিক বিনিময় বজাৰত এজনে আনজনৰ লগত প্রত্যক্ষভাৱে ব্যৱসায় নকৰে। দালালবিলাকে বৈদেশিক বিনিময়ৰ ক্রেতা-বিক্রেতাসকলক একত্রিত কৰাত সহায় কৰে। যদি কোনো এটা বেংক বৈদেশিক বিনিময় ক্রয়-বিক্রয় কৰিব বিচাৰে তেতিয়াহ'লে টকাৰ পৰিমাণটো দালালক জনাব লাগিব। যদি দালালজনে লেনদেনবিলাক ভালদৰে চলাই থাকিবলৈ সক্ষম হয় তেতিয়াহ'লে তাৰে বিনিময়ত তেওঁ বিক্রী কৰা বেংকটোৰ পৰা এটা দস্তুৰী লাভ কৰে।

(৪) **স্বীকৃত প্রতিষ্ঠান (Acceptance House) ঃ** স্বীকৃত প্রতিষ্ঠানেও বৈদেশিক বিনিময় বজাৰত কার্য সম্পাদন কৰে। এনে ধৰণৰ প্রতিষ্ঠানে গ্রাহকসকলৰ হকে বিলবিলাক গ্রহণ কৰি দেশৰ বাহিৰ অর্থাৎ বিদেশলৈকে টকা প্রেৰণ কৰাৰ ক্ষেত্রত সহায় কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ বৈদেশিক বিনিময় বজাৰৰ দুটা কার্যাৱলী উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৬ঃ বৈদেশিক বিনিময় বজাৰৰ ব্যৱসায়ীসকলৰ নাম লিখক।

.....

.....

৭.৭ বিনিময় হাৰ (EXCHANGE RATE)

বিনিময়ৰ হাৰ হৈছে এটা মুদ্রাৰ মূল্য আন এটা মুদ্রাৰ মূল্যত প্রকাশ কৰা। অর্থাৎ এটা মুদ্রা লগত আন মুদ্রা বিনিময় কৰা হাৰ। বিনিময় হাৰে ঘৰুৱা মুদ্রাৰ বৈদেশিক ক্রয় ক্ষমতাটো প্রকাশ কৰে। উদাহৰণস্বৰূপে, যদি 1 আমেৰিকান ডলাৰক ভাৰতীয় 60 টকাৰ লগত বিনিময় কৰিব বিচৰা হয় তেতিয়াহ'লে টকা আৰু ডলাৰৰ বিনিময় হাৰ হ'ব 1 আমেৰিকান ডলাৰ =60 টকা নাইবা 1 টকা $^{1}/_{60}$ আমেৰিকান ডলাৰ = 0.017 আমেৰিকান ডলাৰ। বৈদেশিক বিনিময় বজাৰত বিভিন্ন ধৰণৰ বিনিময়ৰ হাৰ আছে। তলত কেইটামান প্রধান বিনিময়ৰ হাৰ উল্লেখ কৰা হ'ল—

1. **বর্তমান হাৰ (Spot Rate) ঃ** খৰতকীয়া বিলিকৰণৰ কাৰণে বৈদেশিক বিনিময়ৰ চুক্তিৰ হাৰেই হৈছে বর্তমান বৈদেশিক বিনিময় হাৰ (বৈদেশিক বিনিময়ৰ ক্রয়-বিক্রয়)। এই হাৰক কেৱল হাৰ (Cable Rate) নাইবা দূৰবার্তা সংক্রান্ত স্থানান্তৰ হাৰ (Telegraphic Transfer Rate) নামেৰেও জনা যায়। ক্রেতা আৰু বিক্রেতাৰ কাৰণে বর্তমান হাৰটো সদায় পৃথক হয়। উদাহৰণস্বৰূপে, ক্রেতাৰ কাৰণে 1 ডলাৰ = 60.31 টকা, আনহাতে, বিক্রেতাৰ কাৰণে 1 ডলাৰ = 60.15 টকা হয়। সাধাৰণতে পৰিবহণ ব্যয়, ব্যৱসায়ীৰ দস্তুৰী, বীমা ইত্যাদিৰ কাৰণে ক্রেতা আৰু বিক্রেতাৰ মাজত বর্তমান হাৰৰ ক্ষেত্রত এনেকুৱা ধৰণৰ পার্থক্য হোৱা দেখা যায়। এনেকুৱা ধৰণৰ খৰচবোৰ ক্রেতাই বহন কৰিব লাগিব।
2. **অগ্রিম হাৰ ঃ** অগ্রিম হাৰ হৈছে মুদ্রাৰ বিনিময়ৰ কাৰণে প্রয়োজন হোৱা এনেকুৱা এক প্রকাৰৰ বিনিময়ৰ হাৰ যিটো হাৰ ভৱিষ্যতৰ তাৰিখতহে সংঘটিত হয়। বর্তমানত অগ্রিম বিনিময় হাৰটো স্থিৰ হয়, কিন্তু বৈদেশিক বিনিময়ৰ প্রকৃত বিনিময় ভৱিষ্যততহে সংঘটিত হয়। অগ্রিম তাৰিখবিলাক সাধাৰণতে ভৱিষ্যতও 30, 90, 180 নাইবা 360 দিনৰ হয়।
3. **দীর্ঘ হাৰ (Long Rate) ঃ** বিনিময়ৰ দীর্ঘ হাৰ হৈছে এনেকুৱা এবিধ হাৰ য'ত বেংকবিলাকে বৈদেশিক মুদ্রা বিলবোৰ কিনা-বেচা কৰে আৰু যিবিলাকৰ পৰিশোধ এটা বিশেষ ভৱিষ্যতৰ

দিনতহে কৰিব লগা হয়।

- **বিনিময় হাৰ পদ্ধতি (Exchange Rate Regime)**

বিনিময় হাৰ পদ্ধতিক দুটা ভাগত ভাগ কৰিব পাৰি। ভাগ কেইটা হৈছে— স্থিৰ বিনিময় হাৰ পদ্ধতি আৰু পৰিৱৰ্তনীয় বিনিময় হাৰ পদ্ধতি।

স্থিৰ বিনিময় হাৰ ঃ সাধাৰণতে স্থিৰ বিনিময় হাৰ পদ্ধতিত দুখন নাইবা ততোধিক দেশৰ বিনিময়ৰ হাৰ অতি কম সীমাৰ ভিতৰত পৰিৱৰ্তন নহয়। এই পদ্ধতিত চৰকাৰ নাইবা কেন্দ্ৰীয় বেংকে বৈদেশিক বিনিময় বজাৰত হস্তক্ষেপ কৰে যাতে 'বিনিময় হাৰ লক্ষ্য' পূৰণ নোহোৱালৈকে বিনিময় হাৰটো পৰিচালনা কৰিব পাৰি। কেন্দ্ৰীয় বেংকে বৈদেশিক বিনিময় বজাৰত হস্তক্ষেপ কৰি বৈদেশিক সম্পদ আৰু মুদ্ৰা কিনা-বেচা কৰা প্ৰক্ৰিয়াৰ যোগেদি বিনিময় হাৰটো 'স্থিৰ লক্ষ্য পৰ্যায়'ত (Target fixed level) বৰ্তাই ৰাখে।

- **স্থিৰ বিনিময় হাৰৰ সুবিধাবোৰ ঃ**

➢ সাধাৰণতে বিনিময় হাৰ স্থিৰতাই বস্তুৰ মূল্য বাণিজ্যত অন্তৰ্ভুক্ত কৰে যিয়ে নেকি বাণিজ্য আৰু বিনিয়োগ অধিক অনুমানিয় কৰে আৰু ইয়াৰ ফলত বিশ্বায়নো উন্নত হয়।

➢ সাধাৰণতে স্থিৰ বিনিময় হাৰে ঘৰুৱা মুদ্ৰাৰ প্ৰবলতাত আস্থা সৃষ্টি কৰে ইয়াৰ উপৰিও ইয়াত মুদ্ৰাৰ অস্থিৰতাৰ আশংকা নাথাকে লগতে বিনিময় হাৰত Speculation ৰ বিপৰীত ফলাফলৰো আশংকা নাথাকে।

➢ স্থিৰ বিনিময় হাৰৰ ক্ষেত্ৰত বিনিময় হাৰৰ অনিশ্চয়তা আৰু বিপদৰ আশংকা অতি বিৰল হয়, ই ভৱিষ্যতে দীৰ্ঘম্যাদী মূলধনৰ প্ৰৰাহৰ উন্নত কৰাত সহায় কৰে।

➢ স্থিৰ বিনিময় হাৰে Anchor কাম কৰে আৰু দেশৰ ভিতৰতে দায়িত্বপূৰ্ণ वित्तीय নীতিবোৰ অনুসৰণ কৰিবলৈ মুদ্ৰা বিষয়ক কৰ্তৃপক্ষৰ ওপৰত শৃংখলা নিয়মানুৱৰ্তিতা ধাৰ্য কৰে।

- **স্থিৰ বিনিময় হাৰৰ অসুবিধাসমূহ ঃ**

➢ ঘৰুৱা আৰ্থিক স্থিৰতাটোৰ বিনিময়ত স্থিৰ বিনিময় হাৰে বিনিময় হাৰ স্থিৰতা পাব পাৰে।

➢ সাধাৰণতে স্থিৰ বিনিময় হাৰ পদ্ধতিত দেশক গুৰুত্বপূৰ্ণ বৈদেশিক বিনিময় সংৰক্ষণৰ প্ৰয়োজন হয় যিয়ে মুদ্ৰাবিষয়ক কৰ্তৃপক্ষৰ ওপৰত বৈদেশিক বিনিময় সংৰক্ষণ পৰিচালনা কৰিবৰ কাৰণে গধুৰ দায়িত্বভাৰ অপৰ্ণ কৰে।

➢ মুদ্ৰাবিষয়ক কৰ্তৃপক্ষই বিনিময় হাৰৰ স্থায়িত্বটো পৰিচালনা কৰিবৰ কাৰণে মুদ্ৰা নীতি গঠন কৰাৰ ক্ষেত্ৰত স্বাধীনতা হেৰুৱায়।

- **পৰিৱৰ্তনীয় বিনিময় হাৰ ঃ**

পৰিৱৰ্তনীয় বিনিময় হাৰত চাহিদা আৰু যোগানৰ জৰিয়তে এটা মুদ্ৰাৰ মূল্য অন্য এটাত নিৰূপিত কৰা হয়। পৰিৱৰ্তনীয় বিনিময় হাৰ পদ্ধতিত চৰকাৰৰ অৰ্থনৈতিক নীতিবিলাক খাপ খোৱাবলৈ বিনিময় হাৰৰ তাৰতম্য ঘটাবলৈ অনুমতি প্ৰদান কৰা হয়। বৈদেশিক বিনিময় ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত কোনো ধৰণৰ সীমাৱদ্ধতা নাথাকে। বৈদেশিক বিনিময়ৰ চাহিদা আৰু যোগানৰ পৰিৱৰ্তন অনুসৰি বিনিময়ৰ হাৰবিলাক পৰিৱৰ্তন কৰিবলৈ পাৰি। যি মুদ্ৰাই অস্থায়ী (floating)

বিনিময় হাৰ ব্যৱহাৰ কৰে তাক অস্থায়ী মুদ্রা বুলি কোৱা হয়।

- **পৰিৱর্তনীয় বিনিময় হাৰৰ সুবিধাবিলাক ঃ**

➢ অস্থায়ী (floating) বিনিময় হাৰ পদ্ধতিৰ সপক্ষে এটা মুখ্য যুক্তি হৈছে এয়ে যে ই বিভিন্ন দেশক আর্থিক (Monetary) ৰাজস্ব (fiscal) আৰু অন্যান্য নীতিৰ কাৰণে ব্যৱহাৰ কৰাৰ ক্ষেত্রত ক্ষমতা প্রদান কৰে আৰু একে সময়তে পৰিৱর্তনীয় বিনিময় হাৰৰ কাৰণে বাহ্যিক ভাৰসাম্যতা নিশ্চিত হয়।

➢ অস্থায়ী বিনিময় হাৰে সুতৰ হাৰ নির্ণয় কৰাৰ কাৰণে চৰকাৰ আৰু আর্থিক কর্তৃপক্ষক নমনীয়তা প্রদান কৰে। এইটো হোৱাৰ মূল কাৰণ হ'ল এয়ে যে পূর্বনির্ধাৰিত বান্ধনীৰ ভিতৰত বিনিময় হাৰৰ মূল্যটো ৰাখিবলৈ সুতৰ হাৰ স্থিৰ নোহোৱাটো।

➢ চলিত হিচাপৰ Balance of Payment-ত ভাৰসাম্যহীনতাটো স্বয়ংক্রিয়ভাৱে ভাৰসাম্য অস্থায়ী বিনিময় হাৰ চলোৱা পদ্ধতি (Floating Exchange Rate Regime) লৈকে নি ৰাখিব পাৰি। অস্থায়ী বিনিময় হাৰ চলোৱা প্রণালীৰ অধীনত যিকোনো মুদ্রাৰ অভাৰ নাইবা অতিৰিক্ততা দূৰ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ বিনিময় হাৰ বুলিলে কি বুজে?

.....

.....



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- এটা ডিৰাইভেটিভৰ সংজ্ঞা বিত্তীয় আহিলা হিচাপে দিব পাৰি যাৰ মূল্য ইয়াৰ অন্তর্নিহিত সা-সম্পত্তিৰ মূল্যৰ ওপৰত নির্ভৰ কৰে। ডিৰাইভেটিভৰ অন্তর্ভুক্ত চলকবোৰ হ'ল লেনদেনযুক্ত সা-সম্পত্তিৰ দাম, উদাহৰণস্বৰূপে ষ্টকৰ দাম (শ্বেয়াৰ)
- সঘনাই ব্যৱহৃত ডিৰাইভেটিভবোৰ হ'ল Forward চুক্তি, Future চুক্তি, Option চুক্তি আৰু Swap চুক্তি।
- অগ্রিম (Forward) চুক্তিবোৰ অবিহিত আৰু ইয়াক কোনো বিনিময়ত লেনদেন কৰা নহয়। এতেকে ইয়াক 'Over the Counter' (OTC) ডেৰাইভেটিভ হিচাবেও জনা যায়।

- মতামত চুক্তিবোৰ দুই প্ৰকাৰৰ হ'ব পাৰে (Call) আৰু (Put)। Call এটা পূৰ্ব নিৰ্ধাৰিত তাৰিখৰ ভিতৰত প্ৰদত্ত দৰত সম্পদসমূহ বেচা-কিনা কৰাৰ অধিকাৰ দিয়ে। ক্ৰেতাই অধিকাৰ সাব্যস্ত কৰিবলৈ বাধ্যতাৰ সন্মুখীন হয়। এটা Put Option মতে, এটা নিৰ্দিষ্ট তাৰিখত এটা প্ৰদত্ত দৰত সম্পদসমূহ বিক্ৰী কৰিবলৈ অধিকাৰ দিয়ে।
- বৈদেশিক বিনিময় বজাৰ হৈছে এনে এখন বজাৰ য'ত এখন দেশৰ মুদ্ৰাৰ সৈতে আন এখন দেশৰ মুদ্ৰা বিনিময় কৰা হয়। বৈদেশিক বিনিময় বজাৰ হৈছে এখন 'Over the Country বজাৰ।
- বিনিময়ৰ হাৰ হৈছে এটা মুদ্ৰাৰ মূল্য যিটো আন এটা মুদ্ৰাৰ মূল্যৰ প্ৰকাশ কৰা হয় অৰ্থাৎ এটা মুদ্ৰাৰ লগত আন মুদ্ৰা বিনিময় কৰা হাৰ।



৭.৯ অধিক জানিবলৈ (FURTHER READINGS)

১) Batra G.S. (2002). Financial services and markets. New Delhi, Deepand Deep Publication Pvt. Ltd.

২) Mishkin,Frederic S. (2007) Financial Markets and Institutions. New Delhi, Pearson Education Ltd.

৩) Srivastava, R.M. (2009). Management of Indian financial institutions. New Delhi, Himalaya Publishing House.

৪) Khan, M. Y. (2007). Indian Financial System. New Delhi. Tata McGraw Hill.

৫) Pathak, Bharati V (2006). The Indian Financial System : Markets, institutions and services. New Delhi, Pearson Education Ltd.



৭.১০ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰঃ এটা ডিৰাইভেটিভৰ সংজ্ঞা বিত্তীয় আহিলা হিচাপে দিব পাৰি যাৰ মূল্য ইয়াৰ অন্তৰ্নিহিত সা-সম্পত্তিৰ মূল্যৰ ওপৰত নিৰ্ভৰ কৰে।

২ নং প্ৰশ্নৰ উত্তৰঃ সঘনাই ব্যৱহৃত ডিৰাইভেটিভবোৰ হ'ল Forward চুক্তি, Future চুক্তি, Option চুক্তি আৰু Swap চুক্তি।

৩ নং প্ৰশ্নৰ উত্তৰঃ এটা Option চুক্তিয়ে পূৰ্ব নিৰ্ধাৰিত সময়ৰ আগতে এটা পূৰ্ব নিৰ্ধাৰিত দৰত সম্পদসমূহ কিনা / বেচা কৰিবলৈ ব্যৱসায়ী পক্ষসমূহক বাছি লোৱাৰ সুবিধা প্ৰদান কৰে।

৪ নং প্ৰশ্নৰ উত্তৰঃ Swap চুক্তি হৈছে দুটা ব্যৱসায়ী পক্ষৰ মাজত নগদ ধন প্ৰৱাহৰ শৃংখলাৰ বিনিময় কৰিবলৈ লোৱা वित्तীয় বন্দৰস্ত।

৫ নং প্ৰশ্নৰ উত্তৰঃ বৈদেশিক বিনিময় বজাৰৰ ২টা কাৰ্যাৱলী হ'ল দুখন দেশৰ মাজত ক্ৰয় ক্ষমতাৰ হস্তান্তৰ আৰু বৈদেশিক লেনদেনৰ বৃদ্ধি বাবে ঋণ প্ৰদান কৰা।

৬ নং প্ৰশ্নৰ উত্তৰঃ বৈদেশিক বিনিময় বজাৰৰ ব্যৱসায়ীসমূহ হ'ল বেংক, কেন্দ্ৰীয় বেংক, দালাল আৰু স্বীকৃতি প্ৰতিষ্ঠান।

৭ নং প্ৰশ্নৰ উত্তৰঃ বিনিময়ৰ হাৰ হৈছে এটা মুদ্ৰাৰ মূল্য আন এটা মুদ্ৰাৰ মূল্যত প্ৰকাশ কৰা।



৭.১১ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ঃ Derivative মানে কি? বিভিন্ন ধৰণৰ Derivatives ৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ২ঃ Derivative বজাৰৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

প্ৰশ্ন ৩ঃ বৈদেশিক বিনিময় বজাৰৰ অৰ্থ উল্লেখ কৰা। বৈদেশিক বিনিময় বজাৰত অংশগ্ৰহণ কৰা অংশগ্ৰহণকাৰীসকলৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ৪ঃ বিনিময় হাৰ বুলিলে কি বুজা? বিভিন্নধৰণৰ বিনিময় হাৰৰ বিষয়ে বৰ্ণনা কৰা।

প্ৰশ্ন ৫ঃ স্থায়ী বিনিময় হাৰ পদ্ধতিৰ বিষয়ে আলোচনা কৰা।

*** ***** ***